# এজন মেৰৰখীয়াই ঈশ্বৰলৈ গীত গান কৰিছিল

ল'ৰা-ছোৱালীৰ বয়স আৰু প্ৰয়োজনীয়তা অনুসৰি কামবোৰ বাছি লওক।

"মৰমীয়াল প্ৰভু, শাস্ত্ৰত থকা কবিতাটিৰ সৌন্দৰ্য্যক সমাদৰ কৰিবলৈ আৰু দায়ুদৰ মেৰৰখীয়াৰ গীতৰ দ্বাৰাই শান্তনা লভিবলৈ ল'ৰা-ছোৱালীবিলাক অনুগ্ৰহ কৰি সহায় কৰক।"

এজন ডাঙৰ ল'ৰা বা শিক্ষকক মেৰ ৰখীয়াৰ গীতটি (গীতমালা ২৩ অধ্যায়) পঢ়িবলৈ দিয়ক। এইয়ে আমাৰ প্ৰতি থকা ঈশ্বৰৰ আচৰিত যত্নৰ কাৰণে আমি কেনেকৈ দায়ুদৰ নিচিনাকৈ আমাৰ সজ ৰখীয়া যীচুৰ প্ৰশংসা কৰিব পাৰো তাকে দেখুৱাইছে।



**প্ৰশ্নবোৰ।** প্ৰত্যেকটো প্ৰশ্নৰ পিচতে উত্তৰবোৰ আছে।

- ঈশ্বৰে যেতিয়া আমাৰ যত্ন লয়, আমাৰ কিবা অভাৱ থাকেনে? *(১ পদ চাওক)*
- কেনেকুৱা ঠাইলৈ তেওঁ আমাক লৈ যায়? *(২ পদ চাওক)*
- তেওঁ কিয় আমাক ধৰ্ম্ম পথত চলায়? *(৩ পদ চাওক)*
- আমি মৃত্যুলৈ ভয় কৰিবৰ প্ৰয়োজন আছেনে? *(৪ পদ চাওক)*
- আমি ক'ত চিৰকাললৈকে বাস কৰিব পাম? *(৬ পদ চাওক)*

**মেৰৰখীয়াৰ গীতটো গাওক।** এইবিলাক শব্দৰে গান এটি জানে যদি গাওক, বা ল'ৰা-ছোৱালীবিলাকে ইতিমধ্যে জনা বা ৰচনা কৰা এটি সুৰত এই শব্দবোৰৰে আপুনি গান গাব পাৰে।

আপুনি গান গাই থাকোঁতে এই গীতমালা নাট কৰক।

- ল'ৰা-ছোৱালীবিলাকে এই চুটি নাটকখন কৰি দেখুৱাবৰ বাবে উপাসনা চলাওঁতা গৰাকীৰ লগত ঠিক কৰি লওক।
- আপুনি ল'ৰা-ছোৱালীবিলাকক শিকোৱাৰ সময়খিনি নাটক প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰক।
- ডাঙৰ ল'ৰা-ছোৱালীবিলাকক সৰুবিলাকক সহায় কৰিবলৈ দিয়ক।

- ডাঙৰ ল'ৰা-ছোৱালী বা বয়সীয়াবিলাকক এইবোৰ ভাও কৰিবলৈ দিয়ক।
- **মেৰ ৰখীয়া,** এটা বাটি, বটল, মেজ, মেৰ ৰখীয়াৰ লাখুটি (তলৰ ছবিখন চাওক। আপুনি ঠানি ওলাই অহা যিকোনো লাঠি ব্যৱহাৰ কৰিব পাৰে।)
- **বৰ্ণনাকাৰী।** গল্পটো চুটিকৈ কয় আৰু ল'ৰা-ছোৱালীবিলাকে কি ক'ব আৰু কি কৰিব তাক মনত ৰখাত সিহঁতক সহায় কৰে।
- সৰু ল'ৰা-ছোৱালীবিলাকক শত্ৰুবিলাকৰ আৰু মেৰৰখীয়াবোৰৰ ভাও ল'বলৈ দিয়ক (আঁঠু আৰু হাতত ভেজা দি চুচৰে, মাজে সময়ে লাহেকৈ "বা" বুলি কয়)
- **বৰ্ণনাকাৰী ঃ** গীতমালা ২৩ অধ্যায়টো নোচোৱাকৈ দুবাৰ পঢ়ে বা আবৃতি কৰে, গান কৰে। দ্বিতীয়বাৰ, প্ৰত্যেকটো পদ কোৱাৰ পিচত অলপ সময় ৰয়, তেতিয়া ল'ৰা-ছোৱালীবিলাকে প্ৰত্যেকটো পদ নাটকত পৰিণত কৰে।

**বৰ্ণনাকাৰী ঃ** (১ পদ)

**মেৰৰখীয়া ঃ** মেৰৰ চাৰিওফালে, সিহঁতক থপৰিয়াই ঘুৰি থাকে।

**মেৰ ঃ** মেৰ ৰখীয়াৰ ওচৰ চাপিবলৈ চেষ্টা কৰে আৰু আনন্দিত হোৱাৰ চিন স্বৰূপে তেওঁলৈ চাই মিচিকি হাঁহি মাৰে।

**বৰ্ণনাকাৰী ঃ** (২ পদ)

**মেৰৰখীয়া ঃ** বাতিটো নমাই থয়। তাৰ পিছত মেৰবিলাকক বাতিটোৰ ফালে লৈ যায়।

**মেৰ ঃ** বাতিটোৰ পৰা পান কৰাৰ ভাও ধৰে। পিচত লাহেকৈ বহে আৰু পাগুলিবলৈ ধৰে।

**বৰ্ণনাকাৰী ঃ** (৩ পদ)

**মেৰৰখীয়া ঃ** আপোনাৰ হাতেৰে আপোনাক অনুসৰণ কৰিবলৈ ইঙ্গিত দিয়ে আৰু খোজ দিয়ে।

**মেৰ ঃ** মেৰ ৰখীয়াৰ পিচে পিচে যায়।

**বৰ্ণনাকাৰী ঃ** (৪ পদ)

**শত্ৰুবোৰ ঃ** চকীৰ পিচফালে লুকাই থাকে আৰু ধনু-কাড়েঁৰে মেৰবিলাকক মৰাৰ ভাও ধৰে।

**মেৰ ঃ** ভয় খোৱাৰ দৰে দেখুৱায়। লঠিয়ায়, "বা" বুলি কয় আৰু ঘুৰি ঘুৰি দৌৰি থাকে।

**মেৰৰখীয়া ঃ** শত্ৰুবোৰৰ পৰা মেৰবিলাকক লাঠিৰে লৈ আহে আৰু সিহঁতক শান্ত কৰে। তাৰ পিচত শত্ৰুবিলাকক আপোনাৰ লাঠিৰে খেদি পঠায়। আচলতে কিন্তু কাকো নামাৰে। কেৱল ভাওহে ধৰে।

**বৰ্ণনাকাৰী ঃ** (৫ পদ)

**মেৰৰখীয়া ঃ** মেৰবিলাকৰ কাষতে মেজ থৈ দিয়ে। তাৰ পিচত সিহঁতৰ ওপৰতে বটলৰ পৰা তেল ঢালি থকাৰ ভাও কৰে।

**মেৰ ঃ** আপোনাৰ মূৰৰ ওপৰত উপচি পৰা কাপৰ নিচিনাকৈ লাহেকৈ আপোনাৰ হাত দুখন উঠাই থয়।

**বৰ্ণনাকাৰী ঃ** (৬ পদ)

**মেৰৰখীয়া ঃ** এখন দুৱাৰ খুলি মেৰবিলাকক ভিতৰলৈ আহ্বান জনোৱাৰ ভাও কৰে।

**মেৰ ঃ** দুৱাৰেদি সোমাই যায়। মেৰ-ৰখীয়াৰ চাৰিওফালে আঁঠু কাঢ়ি থাকে আৰু ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ হাত দুখন স্বৰ্গৰ ফালে তুলি ধৰে।

**বৰ্ণনাকাৰী ঃ** নাটকখন কৰিবলৈ সহায় কৰা সকলোকে ধন্যবাদ জনায়।

**প্ৰশ্নবোৰ ঃ** এই গীতটি যদি ল'ৰা-ছোৱালীবিলাকে ডাঙৰবিলাকৰ বাবে নাট পৰিবেশন কৰিছে তেনেহ'লে ওপৰত দিয়া সেই একেই প্ৰশ্নবোৰকে ডাঙৰবোৰক শুধিবলৈ দিয়ক। ঈশ্বৰে কেনেকৈ তেওঁৰ লোকবোৰৰ ৰখীয়া হয় সেই বিষয়ে আন উদাহৰণ দিবলৈও আপুনি ক'ব পাৰে। (ল'ৰা-ছোৱালী আৰু জ্যেষ্ঠবিলাকক উদাহৰণবোৰ দিবলৈ দিয়ক।)

**মেৰ ৰখীয়াৰ লাখুটিডালৰ ছবি আঁকক।** উপাসনাৰ সময়ত ল'ৰা-ছোৱালীবিলাকক ছবিখন জ্যেষ্ঠসকলক দেখুৱাবলৈ দিয়ক। আৰু যীচু আমাৰ সজৰখীয়াই সদায় আমাক উত্তম জীৱনলৈ চলাই নিয়ে তাকেই যে মেৰ ৰখীয়াৰ লাখুটিডালে বৰ্ণনা কৰিছে সেই বিষয়ে বুজাই দিয়ক।



**ডাঙৰ ল'ৰা-ছোৱালীবিলাকক** যীচু, আমাৰ সজ ৰখীয়াৰ বিষয়ে কবিতা বা গান লিখিবলৈ দিয়ক।

**কবিতা ঃ** কেইবাটাও ল'ৰা-ছোৱালীক গীতমালা ২৩ পদবিলাক আবৃত্তি কৰিবলৈ দিয়ক।

**মুখস্থ কাম ঃ** ডাঙৰ ল'ৰা-ছোৱালীবিলাকে গীতমালা ২৩, সৰুবিলাককে গীতমালা ২৩ঃ১-২ পদকেইটা মুখস্থ কৰক।

**প্ৰাৰ্থনা ঃ** মৰমিয়াল যীচু, তুমি আচৰিত মেৰ-ৰখীয়া। আমাক কি প্ৰয়োজন তাক তুমি দিয়া। আমি তোমাত ভাৰসা কঁৰো, আনকি বিপদৰ সময়ত, আৰু যেতিয়া শত্ৰুৰ আৰু মৃত্যুৰ সন্মুখীন হওঁ, তেতিয়াও। তুমি আমাক শান্তনা দিয়া আৰু এনেকি মৃত্যুৰ মাজেদি স্বৰ্গলৈকো, তোমাৰ লগত চিৰকাল বাস কৰিবলৈ তুমি আমাক চলাই লৈ যোৱা, আহাঁ প্ৰভু যীচু।"